**2022**

# HISTORY

Paper : HIS–HG–RC–4016

**( Social and Economic History of Assam )**

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following questions (any *ten*) : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দহটা) :

*(a)* Name the Kamarupa king who was the contemporary of Samudragupta.

গুপ্ত ৰজা সমুদ্ৰগুপ্তৰ সমসাময়িক কামৰূপৰ ৰজাজনৰ নাম লিখা।

*(b)* Name the king who issued Umachal Rock Inscription.

উমাচল শিলালিপি জাৰি কৰা ৰজাজনৰ নাম লিখা।

(c) Who discovered tea in Assam?

অসমত কোনে চাহ আৱিষ্কাৰ কৰিছিল ?

(d) Who were called as 'Devalia Paik'?

কোনবোৰ মানুহক 'দেৱলীয়া পাইক' বুলি কোৱা হৈছিল ?

(e) Who was Lieutenant Wilcox?

লেফটেনেন্ট ৱিলকক্স কোন আছিল ?

Write True or False :

সঁচা বা মিছা লিখা :

(f) Narakasura belonged to Varmana royal dynasty.

নৰকাসুৰ বৰ্মন ৰাজবংশৰ ৰজা আছিল ।

(g) Hunting was replaced by jhum cultivation in Assam.

অসমত চিকাৰৰ ঠাই ঝুম খেতিয়ে পূৰণ কৰিছিল ।

(h) The Assam Tea Company was the earliest company to initiate tea industry in India.

ভাৰতত চাহ উদ্যোগ আৰম্ভ কৰা আটাইতকৈ পুৰণি কোম্পানীটো আছিল অসম চাহ কোম্পানী ।

(i) The common people of Ahom Kingdom were dressed 'churiya' or 'dhuti' down the knee.

আহোম ৰাজ্যত সৰ্বসাধাৰণ মানুহে আঁঠুৰ তললৈ 'চুৰিয়া' বা 'ধুতি' পিন্ধিছিল।

(j) 'Mung Dum Chung Kham' is meant by the early Ahoms as a land full of golden crops.

প্ৰাৰম্ভিক কালৰ আহোমসকলে কোৱা 'মুং ডুম চুং খাম'ৰ অৰ্থ আছিল সোণালী শস্যৰে ভৰা ঠাই।

Fill in the blanks :

খালী ঠাইবোৰ পূৰণ কৰা :

(k) The _____ Purana was composed in Kamarupa.

_____ পুৰাণ নামৰ শাস্ত্ৰখন কামৰূপত ৰচনা কৰা হৈছিল।

(l) Nidhanpur Land Grants was issued by the King _____.

ৰজা _____ নিধানপুৰ ভূমি দান জাৰি কৰিছিল।

(m) _____ was the founder of Ahom Kingdom.

_____ আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা আছিল।

*(n)* _____ was the first President of the Assam Sahitya Sabha.

_____ অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি আছিল।

*(o)* Cotton College was established in the year _____.

_____ চনত কটন কলেজ স্থাপিত হৈছিল।

**2.** Answer in brief (any *five*) : 2×5=10

চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Write the myth behind the name 'Kamarupa'.

'কামৰূপ' নামটোৰ আঁৰৰ ৰূপকথাটো লিখা।

*(b)* What was the purpose of establishment of 'Duars'?

'দুৱাৰ' স্থাপনৰ উদ্দেশ্য কি আছিল?

*(c)* Write the names of two disciples of Sankardeva.

শংকৰদেৱৰ যি কোনো দুজন শিষ্যৰ নাম লিখা।

*(d)* Write the names of any two agricultural tools used by the people of Assam after the coming of Ahom.

আহোমসকলৰ আগমনৰ পিচত অসমৰ লোকসকলে ব্যৱহাৰ কৰা যি কোনো দুটা কৃষি সঁজুলিৰ নাম লিখা।

(e) What was Kharikatana Tax?

খৰিকাতানা কৰ কি আছিল?

(f) What is protohistory?

প্ৰ'ট'ইতিহাস বা আদি ইতিহাস কি?

(g) Why did the British prefer to bring labour from other parts of India for tea cultivation in Assam?

অসমত চাহ খেতিৰ বাবে ব্ৰিটিছে কিয় ভাৰতৰ আন প্ৰান্তৰ পৰা শ্ৰমিক আনিবলগা হৈছিল?

(h) Write the names of two professional classes (Jati) existed in Ahom Kingdom.

আহোম ৰাজ্যৰ দুটা বৃত্তিমুখী শ্ৰেণী (জাতি)ৰ নাম লিখা।

**3.** Write short notes on (any *four*) : 5×4=20

চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) Posa System

পচা ব্যৱস্থা

(b) Hiuen Tsang's visit of Assam

হিউৱেন চাঙৰ অসম ভ্ৰমণ

(c) Sankardeva

শংকৰদেৱ

(d) Urban centres in Ancient Assam

প্ৰাচীন অসমৰ নগৰসমূহ

(e) Buddhism in Assam

অসমত বৌদ্ধ ধৰ্ম

(f) Brahmanical Literature and Assam

ব্ৰাহ্মণীয় সাহিত্য আৰু অসম

(g) Disposal of the deadbodies in Ancient and Medieval Assam

প্ৰাচীন আৰু মধ্যযুগীয় অসমত মৃতকৰ সংকাৰ ব্যৱস্থা

(h) Moriya Community

মৰিয়া সম্প্ৰদায়

4. Answer the following questions (any *four*) : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাবিটা) :

(a) Discuss the position of women in the society of ancient Kamarupa.

প্ৰাচীন কামৰূপীয় সমাজত মহিলাৰ স্থিতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(b) Write a note on the beliefs and practices of ancient Kamarupa.

প্ৰাচীন কামৰূপৰ ধৰ্মীয় বিশ্বাস আৰু উপাসনাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

(c) Write a note on the class relations among the nobility, peasantry and slaves under the Ahom rule.

আহোম শাসনকালত অভিজাত, কৃষক আৰু দাস শ্ৰেণীৰ মাজৰ সম্পৰ্কৰ ওপৰত এটা টোকা প্ৰস্তুত কৰা।

(d) What is Satra institution? Discuss the growth and development of the Satra institution in Assam.

সত্ৰ অনুষ্ঠান কি? অসমত সত্ৰ অনুষ্ঠানৰ প্ৰসাৰ আৰু বিকাশৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা।

(e) What is Paik system? Give a critical analysis of Paik system.

পাইক প্ৰথা কি? পাইক প্ৰথাৰ ওপৰত এটা সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

(f) Write a detailed note on the agriculture and land system of Assam under the Ahoms.

আহোমসকলৰ শাসনকালত অসমৰ কৃষি আৰু ভূমি ব্যৱস্থাৰ ওপৰত এটি বহলাই টোকা লিখা।

(g) Write in detail the contribution of the Christian missionaries for the growth of modern education in Assam.

অসমত আধুনিক শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদানৰ বিষয়ে বহলাই লিখা।

(h) Discuss the role of press in the growth of socio-political awareness in Assam during the time of the British rule.

ব্ৰিটিছ্ শাসনকালত অসমত সামাজিক আৰু ৰাজনৈতিক সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সংবাদমাধ্যমৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

(i) Write a note on the development of modern industries specially on oil and coal industry.

আধুনিক উদ্যোগসমূহৰ বিশেষকৈ তেল আৰু কয়লা উদ্যোগৰ বিকাশৰ ওপৰত এটা টোকা লিখা।

(j) Analzye the circumstances contributed towards the emergence of a middle class in Assam.

অসমত মধ্যবিত্ত শ্ৰেণীৰ উত্থানত অবিহণা যোগোৱা পৰিবেশ পৰিস্থিতিবোৰ বিশ্লেষণ কৰা।

★★★